## ৰাজকোষীয় নীতি (Fiscal Policy)

ৰাজকোষীয় নীতি হৈছে কোনো এখন দেশৰ অৰ্থনৈতিক স্থিৰতা ৰক্ষা কৰাৰ এক শক্তিশালী আহিলা। ৰাজকোষীয় নীতি বুলিলে সাধাৰণতে চৰকাৰী আয় আৰু চৰকাৰী ব্যয়ৰ সহায়ত বিদ্যমান নিৰ্দিষ্ট উদ্দেশ্যত উপনীত হ'ব পৰাকৈ চৰকাৰে যিবোৰ কৌশল গ্ৰহণ কৰে তাকে বুজায়। অৰ্থাৎ ৰাজকোষীয় নীতি হৈছে চৰকাৰৰ ৰাজহ আৰু ব্যয় সংক্ৰান্তীয় নীতি যিয়েহে এখন অৰ্থনীতিৰ বিকাশ আৰু স্থিৰতা প্ৰতিফলিত কৰে। ৰাজকোষীয় নীতিৰ প্ৰধান আহিলাসমূহ হ'ল — কৰ, চৰকাৰী ব্যয় আৰু চৰকাৰী ঋণ। ৰাজকোষীয় নীতি প্ৰধানকৈ দুই প্ৰকাৰৰ। সেয়া হৈছে —

(ক) সম্প্ৰসাৰিত ৰাজকোষীয় নীতি — (Expansionary Fiscal Policy) : এই নীতি অনুসৰি চৰকাৰে কৰৰ হাৰ কমকৈ নিৰ্ধাৰণ কৰে আৰু চৰকাৰী ব্যয় বৃদ্ধি ~~কৰে~~ কৰা হয়।

(খ) সংকোচিত ৰাজকোষীয় নীতি — (Contractionary Fiscal Policy) : এই নীতি অনুসৰি চৰকাৰে কৰৰ হাৰ বৃদ্ধি কৰে আৰু চৰকাৰী ব্যয় হ্ৰাস কৰে। এই নীতি সম্প্ৰসাৰিত ৰাজকোষীয় নীতিৰ বিপৰীত।

**ৰাজকোষীয় নীতিৰ পৰম্পৰাগত মতবাদ (Traditional outlook or view of Fiscal Policy):**

পৰম্পৰাগত মতবাদ অনুসৰি এখন দেশত চৰকাৰে প্ৰাথমিকভাৱে ৰাজকোষীয় নীতি প্ৰয়োগ কৰাৰ কোনো প্ৰয়োজন নাথাকে। অৰ্থনীতিবিদ জে.বি. ছে'ৰ মতে "Supply creates its own demand" বা যোগানে চাহিদা সৃষ্টি কৰে। তেওঁৰ মতে পূৰ্ণ নিয়োগৰ ফলত চাহিদা আৰু ~~যোগানে~~ যোগানৰ সমান কাৰ্যকৰী অৱস্থাত যোগানৰ দ্বাৰা চাহিদা সৃষ্টি হোৱা অৱস্থাত অতিৰিক্ত নিবনুৱাৰ সৃষ্টি নহয়। সেইবাবে চৰকাৰ এখন বিশেষ সমস্যাত নপৰে আৰু চৰকাৰখনৰ বাবে সুকীয়া ৰাজকোষীয় নীতিৰ কোনো প্ৰয়োজন নহয়। এনে অৱস্থাত অতিৰিক্ত উৎপাদন, নিয়োগ, যোগান বা চাহিদাৰ কথা আহি নপৰে। নিম্নতম ৰাজহ আৰু ব্যয়ৰ দ্বাৰা চৰকাৰ এখনে ভাৰসাম্য অৱস্থাৰ সৃষ্টি কৰি আৰ্থিক উন্নয়নৰ ব্যৱস্থা কৰিব পাৰে। এই অৱস্থাটোক অৰ্থনীতি এখনৰ উত্তম ব্যৱস্থা বুলি কোৱা হয়।

পৰম্পৰাগত মতবাদ অনুসৰি এখন অৰ্থনীতিৰ বাবে চৰকাৰৰ প্ৰধান দায়িত্ববোৰ হ'ল —

(ক) চৰকাৰী ব্যয় উৎপাদনক্ষম হিচাপে হোৱা;

(খ) নিম্নতম কৰ আৰোপ কৰা;

(গ) সুষম বাজেট নীতি গ্ৰহণ কৰা।

উ হাৰ সমপৰিমাণৰ হোৱা প্ৰয়োজন।

## ৰাজকোষীয় নীতিৰ প্ৰধান উদ্দেশ্যসমূহ (Objectives of Fiscal Policy) :

ৰাজকোষীয় নীতিৰ প্ৰধান উদ্দেশ্যসমূহ উন্নত আৰু উন্নয়নশীল দেশত বেলেগ বেলেগ হোৱা দেখা যায়। উন্নত দেশসমূহ উদ্যোগপ্ৰধান হোৱা বাবে এনেবোৰ দেশত ইতিমধ্যেই পূৰ্ণ নিয়োগ অৱস্থাত উপনীত হৈছে। এনেবোৰ দেশৰ ৰাজকোষীয় নীতিৰ প্ৰধান উদ্দেশ্য হৈছে বাণিজ্য চক্ৰজনিত আৰ্থিক অস্থিৰতা দূৰ কৰি ৰাষ্ট্ৰীয় আয়, নিয়োগ আৰু উৎপাদন পূৰ্ণ পৰ্যায়ত বৰ্তাই ৰখাৰ লগতে সাধাৰণ দৰ-স্তৰ সুস্থিৰ কৰি ৰখা। আনহাতে উন্নয়নশীল দেশসমূহৰ ৰাজকোষীয় নীতিৰ মূল উদ্দেশ্য হ'ল আৰ্থিক উন্নয়নৰ হাৰ ত্বৰান্বিত কৰা। এনেবোৰ দেশৰ অৰ্থনৈতিক উন্নয়নৰ আৰম্ভণি অৱস্থাত মূল্যস্তৰ বৃদ্ধি হোৱাৰ যথেষ্ট সম্ভাৱনা থাকে। কিয়নো বৰ্দ্ধিত চৰকাৰী ব্যয়ৰ যোগেদি আৰ্থিক উন্নয়নৰ প্ৰক্ৰিয়াৰ আৰম্ভ হোৱাৰ লগে লগে জনসাধাৰণৰ ক্ৰয়ক্ষমতা বৃদ্ধি হয়, কিন্তু সেই অনুপাতে দ্ৰব্যৰ উৎপাদন বৃদ্ধি নহয়। যাতিকে মূল্যবৃদ্ধি হয়। সেয়ে উন্নয়নশীল দেশৰ ৰাজকোষীয় নীতিৰ মূল লক্ষ্য মূল্যবৃদ্ধি ৰোধ কৰাটো হোৱা উচিত। উন্নত আৰু অনুন্নত দেশসমূহৰ

গতিকে উপৰৰ আলোচনাৰ পৰা দেখা যায় যে পৰম্পৰাগত মতবাদ অনুসৰি এখন অৰ্থনীতিত ৰাজকোষীয় নীতিৰ প্ৰয়োগ অতি দৰকাৰী নহয়। চৰকাৰে নিম্নতম কৰ প্ৰয়োগ কৰাত আগ্ৰহী হোৱা উচিত।

## ৰাজকোষীয় নীতিৰ আধুনিক মতবাদ (Modern view of Fiscal Policy):

ৰাজকোষীয় নীতিৰ আধুনিক পৃষ্ঠপোষক সকল হ'ল জে.এম কেইন্স, এ.পি লাৰনাৰ আৰু ডুগাৰ ~~মিজেলে~~ মিডালে প্ৰকৃততে ৰাজকোষীয় নীতিৰ আধুনিক মত কেইন্সৰ সৃষ্টি বুলি ক'ব পাৰি। কেইন্সৰ মতে পূৰ্ণ নিয়োগ অৱস্থা এখন অৰ্থনীতিৰ এক অস্বাভাৱিক অৱস্থাৰ ফলহে। সামগ্ৰিক চাহিদাৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ফলস্বৰূপে পূৰ্ণ নিয়োগ অৱস্থাক এক অস্বাভাৱিক পৰিণাম বুলি ক'ব হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত পূৰ্ণ নিয়োগ বা নিযুক্তি নহয় বৰং অপূৰ্ণ ~~নিযু~~ নিয়োজিৰ ভাৰসাম্য অৱস্থাৰহে এখন অৰ্থনীতি চলি থাকে। কেইন্সৰ মতে আয় আৰু ভোগৰ মনস্তাত্ত্বিক বিধিৰ প্ৰভাৱত (Psychological Law of Consumption) আয় আৰু ভোগৰ পৰিমাণ বৃদ্ধি পায়, ফলত যোগানৰ পৰিমাণতকৈ চাহিদাৰ পৰিমাণ হ্ৰাস হৈ থাকে। যদি যোগান আৰু চাহিদাৰ পৰিমাণ বৃদ্ধি হ'ব লগা হয়, তেতিয়া চাহিদা যোগানৰ ~~পৰিমাণতকৈ~~

কৰিব পৰা যায়। উদাহৰণস্বৰূপে অৱনতি বা মন্দাকালত
সমগ্ৰ কৰৰ পৰিমাণ হ্ৰাস কৰা উচিত। কিয়নো এনে
কৰিলে কৰদাতাৰ ব্যয়যোগ্য আয় বৃদ্ধি পায় আৰু কৰদাতা
সকলৰ ভোগ ব্যয় বৃদ্ধি পায়। তদুপৰি চৰকাৰী ব্যয় বৃদ্ধিয়েও
বেচৰকাৰী খণ্ডৰ ভোগ আৰু বিনিয়োগ ব্যয়ৰ ঘাটি দূৰ
কৰি অৰ্থনীতিৰ সংকোচন বন্ধ কৰাত সহায়ক হয়।
এনে সময়ত চৰকাৰে কৰ্মহীন লোকক ৰাজসাহায্য প্ৰদান
আৰু ৰাজহুৱা নিৰ্মাণ আঁচনিত ব্যয় কৰিব লাগে।
সেইবাবে চৰকাৰে প্ৰয়োজনীয় পৰিমাণ ঋণ ধনযোগে
সংগ্ৰহ কৰি প্ৰয়োজন মতে সময়ত ব্যয় কৰিলে ভোক্তাৰ
ক্ৰয় ক্ষমতা বৃদ্ধি হ'ব। ফলত উৎপাদন, বিনিয়োগ বৃদ্ধি
হৈ লাহে লাহে অৰ্থনীতিখন পুনৰ উন্নতিৰ দিশে গতি
কৰিব। সেয়েহে ৰাজকোষীয় নীতিয়ে অৰ্থনৈতিক
সুস্থিৰতা ৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।
তদুপৰি বিদ্যমান বাহ্যিক কাৰকে সৃষ্টি কৰা অস্থিৰতা
ৰক্ষাৰ বাবে উন্নত আৰু অনু উন্নয়নশীল দেশৰ চৰকাৰে
শুল্ক নীতি প্ৰয়োগৰ জৰিয়তে আন্তৰ্জাতিক বাণিজ্য ~~চক্ৰৰ~~
~~প্ৰভাৱ~~ চক্ৰীয় উত্থান - পতনৰ প্ৰভাৱ অনীতিত ন্যূনতম
কৰি ৰাখিব পাৰে। তদুপৰি জনসাধাৰণৰ অভিৰুচি
এৰু ক্ষমতা নিয়ন্ত্ৰণ কৰা বাবে উপভোগ্য দ্ৰব্যৰ ওপৰত
আমদানি শুল্ক আৰু আমদানি বিলাসী দ্ৰব্যৰ ওপৰত
বধা আৰোপ কৰাতো চৰকাৰৰ বাবে দৰকাৰী

ৰাজকোষীয় নীতিৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্যসমূহ তলত আলোচনা কৰা হ'ল -

১) <u>পূৰ্ণ নিযুক্তি (Full employment)</u>: পূৰ্ণ নিয়োগ ~~[illegible]~~ অৱস্থা প্ৰাপ্তি উন্নয়নশীল অৰ্থনীতিৰ ৰাজকোষীয় নীতিৰ এক প্ৰধান উদ্দেশ্য। এনেকোৱা [illegible] পূৰ্ণ নিযুক্তিত উপনীত নহ'লেও ৰাজকোষীয় নীতিৰ মূলমন্ত্ৰ হৈছে কৰ্মহীনতাৰ পৰা আতৰি থকা। সেয়েহে চৰকাৰে সামাজিক আৰু অৰ্থনৈতিক আন্তঃগাঁথনি নি[...] ব্যয় বৃদ্ধিৰ জৰিয়তে অনিযুক্তি আৰু অৰ্ধনিযুক্তিৰ স[...] আঁতৰ কৰিব লাগে।

2) আৰ্থিক স্থিৰতা বা সুস্থিৰতা ৰক্ষা (Economic stabi[...]
সাধাৰণতে উন্নত দেশসমূহত বাণিজ্য চক্ৰজনিত আৰ্থি[ক] অস্থিৰতাই অৰ্থনীতিসমূহক বেয়াকৈ আঘাত হানে। এই অস্থিৰতা মন্দাৱস্থা বা অৱনতি, সমৃদ্ধি আৰু মুদ্ৰাস্ফীতিৰ ফলত সৃষ্টি হ'ব পাৰে।
মন্দাৱস্থাৰ সময়ত দেশৰ অৰ্থনৈতিক কাৰ্যকলাপ নিম্ন হয়। এনে অৱস্থাত আয়, উৎপাদন, কৰ্মসংস্থান আদি হ্ৰাস পায়। এই ধৰণৰ অৱস্থা দূৰ কৰিবলৈ ৰাজকো[ষীয়] নীতিৰ তিনিটা আহিলা — কৰ, চৰকাৰী ব্যয় আৰু চৰকাৰী ঋণ বেলেগে বেলেগে প্ৰয়োগ কৰি মন্দা[...]

ফলত নিম্ন আয় শ্ৰেণীৰ মানুহৰ উপকাৰ হয়, লগতে উৎপাদনশীলতাও বৃদ্ধি হয়। সেয়েহে চৰকাৰী ব্যয়ৰ এনে বিতৰণে অৰ্থনৈতিক উন্নয়নত সহায় কৰিব লগতে সমবিতৰণো সৃষ্টি কৰিব। সঠিক আৰু সু-পৰিকল্পিত ৰাজকোষীয় কাৰ্যসূচী, চৰকাৰী ব্যয়, কৰ আদিয়ে মানৱ সম্পদ উন্নয়নত সহায় কৰি আয় বিতৰণত ধনাত্মক প্ৰভাৱ পেলোৱাত সহায় কৰে।

(৫) মূলধন গঠন আৰু বিকাশ (Capital formation and growth):

এখন অৰ্থনীতিৰ মূলধন গঠনৰ বাবে ৰাজকোষীয় নীতি এক গুৰুত্বপূৰ্ণ আহিলা। উন্নয়নশীল দেশৰ অনগ্ৰসতাৰ এক প্ৰধান কাৰণ হৈছে দৰিদ্ৰতাৰ পাকচক্ৰ। দৰিদ্ৰতাৰ পাকচক্ৰ ভংগ কৰাৰ বাবে মূলধন গঠন বৃদ্ধিৰ দ্বাৰা বিনিয়োগ বৃদ্ধি কৰি অৰ্থনৈতিক বিকাশ লাভ কৰাটো অতি দৰকাৰী। ৰাজকোষীয় নীতিৰ এক প্ৰধান উদ্দেশ্য হৈছে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ বিনিয়োগৰ পৰিমাণ বৃদ্ধি কৰা। ইয়াৰ বাবে ৰাজকোষীয় নীতিয়ে প্ৰথমে ৰাজহুৱা খণ্ড বিনিয়োগক উৎসাহিত কৰাৰ ফলত ব্যক্তিগত খণ্ডৰ বিনিয়োগ বৃদ্ধি পৰিলক্ষিত হয়। এই ক্ষেত্ৰত সামাজিক দৃষ্টিৰে প্ৰয়োজনীয় খণ্ড বিনিয়োগ বৃদ্ধিৰ দ্বাৰা অৰ্থনৈতিক উন্নতি

৩) অৰ্থনৈতিক বিকাশৰ হাৰ ত্বৰান্বিত কৰা ( ... Accelerate the rate of Economic growth).

উন্নয়নশীল দেশৰ বাজেটীয় নীতিৰ আন এটা গুৰুত্বপূৰ্ণ লক্ষ্য হৈছে অৰ্থনৈতিক বিকাশৰ হাৰ বৃদ্ধি কৰা। অৰ্থনৈতিক বিকাশ অৰ্থনৈতিক সুস্থিৰতা অবিহনে লাভ কৰিব নোৱাৰি। সেইবাবে বাজেটীয় আহিলা যেনে কৰ, চৰকাৰী ধাৰ আৰু ঘাটি বিত্তীয় ব্যৱস্থা সঠিক আৰু উপযুক্ত ভাৱে ব্যৱহাৰ কৰিব লাগে যাতে উচ্চ উপভোগ, উৎপাদন আৰু বিতৰণৰ ওপৰত প্ৰতিকূল প্ৰভাৱ পৰিব নোৱাৰে। তেতিয়াহে জাতীয় আৰু জনমূৰি আয় বৃদ্ধিৰ জৰিয়তে অৰ্থনৈতিক উন্নয়ন সাধিত হ'ব।

৪) আয় আৰু সম্পদৰ সম বিতৰণ (Equal distribution of Income and Wealth).

উন্নয়নশীল দেশৰ এক প্ৰধান সমস্যা হৈছে আয় আৰু সম্পদৰ মাজত থকা বৈষম্য। সেয়ে এনেবোৰ দেশৰ বাজেটীয় নীতিৰ আন এক প্ৰধান উদ্দেশ্য হৈছে আয় আৰু সম্পদৰ মাজত থকা বৈষম্য দূৰ কৰা। এই ক্ষেত্ৰত চৰকাৰে সমাজত ন্যায় প্ৰতিষ্ঠাৰ বাবে উৎপাদনমূলক বিনিয়োগ কৰিব লাগিব যাৰ

স্তৰত কৰ তোলা হয়। চৰকাৰে উদ্যোগ আৰু কৃষি খণ্ডত বিনিয়োগ বৃদ্ধি কৰিবলৈ অৰ্থনৈতিক আৰু সামাজিক আন্তঃগাঁথনি যেনে - জলসিঞ্চন, বাট-পথ, দলং, বানপানী নিয়ন্ত্ৰণ, স্বাস্থ্য সেৱা, শিক্ষা প্ৰশিক্ষণ আদিৰ উন্নতি সাধন কৰিব লাগে। এনে কাৰ্যৰ দ্বাৰা অৰ্থনীতি বজাৰৰ সম্প্ৰসাৰণ, উৎপাদন ব্যয় সংকোচন আৰু বিনিয়োগৰ সামাজিক প্ৰান্তিক উৎপাদনশীলতা বৃদ্ধিত সহায় কৰিব।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে ৰাজকোষীয় নীতিৰ প্ৰধান আহিলা সমূহক তলত দিয়া ধৰণে ভাগ কৰিব পৰা যায় —

(ক) অৰ্থনৈতিক বিকাশ সাধন।
(খ) মূল্যস্তৰত স্থিৰতা ৰক্ষা।
(গ) আয় আৰু সম্পদৰ সম বিতৰণ।
(ঘ) পূৰ্ণ-নিয়োগ ৰক্ষা।
(ঙ) মূলধন গঠনৰ হাৰ বৃদ্ধি।
(চ) অৰ্থনৈতিক স্থিৰতা ৰক্ষা।

ৰাজকোষীয় নীতিৰ প্ৰধান আহিলাসমূহ (Main tools of Fiscal Policy):

ৰাজকোষীয় নীতিৰ প্ৰধান আহিলাসমূহ তলত দিয়া অনুসৰি ভাগ কৰা হয়।

১) বাজেট (Budget): বাজেট বুলিলে এখন দেশৰ চৰকাৰৰ আয়-ব্যয়ৰ বাৰ্ষিক আঁচনিখনকে বুজায়।

সংবিধান অনুসৰি বাজেট হৈছে ৰাজহ প্ৰাপ্তি আৰু ৰাজহ ব্যয়ৰ এক বিত্তীয় অনুমোদন সাপেক্ষ প্ৰতিবেদন। দেশৰ বিত্ত মন্ত্ৰীয়ে সংসদত (১ ফেব্ৰুৱাৰী) বাজেট দাখিল কৰে আৰু অনুমোদনৰ বাবে আৰ্জি পেচ কৰে। বাজেটক এক বিত্তীয় বাৰ্ষিক বিবৃতি বোলা হয় কাৰণ চৰকাৰে এসনে এটা বিত্তীয় বৰ্ষৰ বাবে অৰ্থাৎ ১ এপ্ৰিলৰ পৰা ৩১ মাৰ্চলৈ আয়-ব্যয়ৰ বিস্তৃত প্ৰতিবেদন দাখিল কৰে। বাজেটক কাৰ্যকাৰী ভিত্তিত তিনিটামান ভাগত ভাগ কৰা হয়। যেনে হৈছে -

(ক) বাৰ্ষিক বাজেট
(খ) চক্ৰীয় বাজেট
(গ) ক্ষতিপূৰণ বাজেট

বাৰ্ষিক বাজেট হ'ল ৰাজহ আয় আৰু ৰাজহ ব্যয়ৰ বছেৰেকীয়া এখন বাজেট।

চক্ৰীয় বাজেট প্ৰকৃততে এক নিৰ্দিষ্ট বাজেট প্ৰক্ৰিয়া নহয়। আৰু এখন দেশৰ অৰ্থনৈতিক সমৃদ্ধিৰ সময়ত বাঢ়তি বাজেট (surplus budget) আৰু অৰ্থনৈতিক মন্দাৱস্থা বা অৱনতিৰ সময়ত ঘাটি বাজেট (Deficit budget) অনুসৰণ কৰি অৰ্থব্যৱস্থাক আগবঢ়াই নিয়াৰ প্ৰক্ৰিয়াক চক্ৰীয় বাজেট বোলে। বাঢ়তি বাজেটে চৰকাৰী আয় বৃদ্ধি কৰে। আনহাতে ঘাটি বাজেটে চৰকাৰী ব্যয় বৃদ্ধি কৰে বা চৰকাৰী আয় হ্ৰাস কৰে। ঘাটি বাজেটত চৰকাৰৰ যিমিনি আয় হ্ৰাস বা ঘাটি হয় আৰু যি প্ৰকাৰে চৰকাৰে ঘাটি

-পূৰণ কৰে অথবা ঘাটি বিত্তায়ন ব্যৱস্থা লৈলে। এই-
ঘাটি বিত্তায়ন ব্যৱস্থাক ৰাজকোষীয় নীতি বুলিও কোৱা হয়

ক্ষতিপূৰণ বাজেট হ'ল এনে এক বিত্তীয় ব্যৱস্থা য'ত ৰাজকোষীয় নীতি কাৰ্যকৰীকৰণ কৰাৰ বাবে ব্যৱহাৰ কৰা চৰকাৰী ব্যয়, কৰ, ঋণ, ৰাজহ আদিক নিয়ন্ত্ৰণ কৰি আৰোপ কৰা হয়। ইয়াকে ফলন বিত্ত বা কাৰ্যানুবৰ্তি বিত্ত বুলিও কোৱা হয়। সাধাৰণতে ক্ষতিপূৰণ বাজেট আৰ্থিক পৰিস্থিতিৰ লগত ৰজিতা বা খাপ খুৱাই বিত্তীয় পৰিচালনাৰে ৰাজকোষীয় আহিলাৰ সমন্বিত ব্যৱহাৰ দ্বাৰা সৃষ্টি কৰা হয়।

## কৰ (Tax)

কৰ হৈছে এক বাধ্যতামূলক বৰঙণি। ই ৰাজকোষীয় নীতিৰ এক গুৰুত্বপূৰ্ণ আহিলা যি নিয়ে উপভোক্তাৰ ব্যয়যোগ্য আয়, উদ্যোগ আৰু বিনিয়োগৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। কৰ প্ৰধানকৈ দুবিধ — প্ৰত্যক্ষ কৰ আৰু পৰোক্ষ কৰ। এখন দেশৰ ৰাজকোষীয় নীতিৰ কাৰ্যকাৰীতা কৰ ৰাজহ সংগ্ৰহৰ ওপৰত নিৰ্ভৰ কৰে।

আৰ্থিক মন্দাৱস্থা বা সংকোচনৰ সময়ত কৰ ৰেহাই বা কৰ উঠাই দিয়াৰ ব্যৱস্থা কৰি জনসাধাৰণক সকাহ প্ৰদান কৰা হয়। এনে ব্যৱস্থাই জনসাধাৰণৰ ব্যয়যোগ্য আয় বৃদ্ধি কৰে। ফলত সামগ্ৰিক চাহিদা বৃদ্ধিৰ

লগ্নিতে উৎপাদন বৃদ্ধি ঘটে। ফলতঃ সঞ্চয়, ভোগ, বিনিয়োগ, উৎপাদন ক্রমশঃ বৃদ্ধি হয়ে অর্থনীতি স্তর আর্থিক মন্দাবস্থা বা সংকোচ নাইকিয়া প্রাপ্ত হয়ে সমৃদ্ধির স্তরগুলি গতি করে।